**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-09-2024
**Time :** 07 55 Hrs

***Assamese Morning Bulletin***

::::::::::::::::::::::::::::::::::::::::

আজি কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠা, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাৱেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে পূজাথলীসমহূ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাগাৰা নাম, নাম প্ৰসংগ আদিৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে গুৱাহাটী মহানগৰীৰ বজাৰসমূহতো পূজাৰ বাবে প্ৰয়োজনীয় বিভিন্ন সা-সামগ্ৰীৰ পয়োভৰ দেখা গৈছে। মহানগৰৰী কামাখ্যা গেʼটত থকা বিশ্বকৰ্মা মন্দিৰতো পূজাৰ আয়োজন কৰা হৈছে। আনহাতে বিশ্বকৰ্মাৰ মৃণ্ময় মূৰ্তি ক্ৰয় কৰিবলৈ মৃৎশিল্পীসকলৰ ওচৰত অগণন লোকে ভিৰ কৰা দেখা গৈছে।

গোলাঘাট জিলাৰ বাদুলিপাৰৰ বিভিন্ন শিল্পালয়ত বিশ্বকৰ্মাৰ মৃণ্ময় মূৰ্তি ক্ৰয় কৰিবলৈ বহু লোকৰ সমাগম হোৱা দেখা গৈছে।

০০০০০০০

**স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা** বিষয়বস্তু হিচাপে লৈ আজি দেশত স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হব। এই অভিযান অহা ২ অক্টোবৰলৈকে চলিব। দেশৰ পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে এই অভিযান চলোৱা হʼব। এই উপলক্ষে কালি বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে স্বচ্ছতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৱে কালি শপত গ্ৰহণ কাৰ্যসূচীৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৱে মহাপ্ৰৱন্ধকৰ পৰিচালনাত বিভাগৰ জ্যেষ্ঠ বিষয়া, কৰ্মচাৰী, বিভিন্ন সংস্থা আৰু একতা সভাৰ প্ৰতিনিধিৰ উপস্থিতিত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ সকলো মণ্ডলতে অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে ৰেল বিভাগৰ কৰ্মচাৰী আৰু যাত্ৰীসকলৰ মাজত অনাময়ৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে হাতত লোৱা হৈছে। এই অভিযানত চাফাই মিত্ৰ, অনাময় কৰ্মী আৰু আন আন অংশীদাৰসকলক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি জনসাধাৰণৰ বাবে স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজনৰ পৰিকল্পনা কৰিছে। সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিক সকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন অংশীদাৰীয়ে অংশগ্ৰহণ কৰিব। সমগ্ৰ চৰকাৰ দৃষ্টিভংগীৰ অধীনত সকলো ৰাজ্য, কেন্দ্ৰীয় শাসিত

অঞ্চল, মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰালয় তথা স্থানীয় গোটসমূহে দেশজুৰি এই অভিযান সফল কৰিবলৈ স্বচ্ছতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০০

মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ৰ অধীনৰ মীন বিভাগে জলজ কৃষি পদ্ধতিৰ বিকাশৰ লগতে সমগ্ৰ দেশতে সংহত মীন পালন ব্যৱস্থাৰ প্ৰসাৰৰ বাবে ১০০ দিনীয়া পৰিকল্পনা যুগুত কৰিছে। কালি মন্ত্ৰালয়ে জাৰি কৰা এখন বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত মীন খণ্ডক শক্তিশালী কৰাৰ লগতে বহনক্ষম উন্নয়নক ত্বৰান্বিত কৰাৰ বাবে কৌশল যুগুতাই উলিওৱা হৈছে। এই যোজনাৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰামৰ উপৰি দেশৰ কেবাখনো ৰাজ্যত জলজ কৃষি আৰু সংহত মীন পালনক উৎসাহিত কৰাৰ বাবে ৪২ কোটি ৪৩ লাখ টকাৰ অনুমোদন জনোৱা হৈছে। ইয়াৰ ভিতৰত পাঁচ কোটি ৫০ লাখ টকা উত্তৰ-পূবৰ এই চাৰিখন ৰাজ্যৰ বাবে ব্যয় কৰা হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, হোজাই, ধেমাজি জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

**সমাপ্ত**